[19-HRPGKOW-M3S(N) 20M]

MA 3rd Semester (New) Exam., 2019 (W)

ASSAMESE

[PGAS S3–04 (Lang)]

(ধ্বনিবিজ্ঞান আৰু অসমীয়া ধ্বনিতত্ত্ব)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. *(a)* তলৰ প্ৰশ্নসমূহৰ অতি চমু উত্তৰ লিখক (*এটা* বা *দুটা* শাৰীত) : 1×8=8

(i) ভাষাৰ প্ৰাথমিক আৰু মূল উপাদানবিধ কি ?

(ii) বাক্‌ধ্বনি কিহৰ দ্বাৰা উচ্চাৰিত হয় ?

(iii) দন্ত্যধ্বনিৰ উচ্চাৰণত ভূমিকা লোৱা উচ্চাৰণৰ স্থান উচ্চাৰণকৰণ দুটাৰ নাম লিখক।

(iv) স্বৰধ্বনিসমূহ নিয়ত নে অনিয়ত ধ্বনি ?

(v) বিশিষ্ট ধ্বনি এটাক গঠন কৰা অবিশিষ্ট ধ্বনিসমূহক কি বোলে ?

(vi) অনুক্ৰম বৰ্ণ কাক বোলে ?

(vii) ধ্বনি উচ্চাৰণৰ সময়ৰ একক কি বোলে ?

(viii) অসমীয়া ভাষাৰ পশ্চতালব্য উষ্ম ধ্বনিটো কি ?

(b) শুদ্ধ উত্তৰটো বাচি উলিয়াওক : 1×4=4

(i) অসমীয়া ভাষাত ____ টা বিশিষ্ট ব্যঞ্জনধ্বনি পোৱা যায়।

(1) ২১

(2) ৮

(3) ২৯

(4) ৬

(ii) 'ৰ' ধ্বনিটো ____ ধ্বনি।

(1) নাসিক্য

(2) কম্পিত

(3) ওষ্ঠ্য

(4) পার্শ্বিক

(iii) অসমীয়া ভাষাৰ শ, ষ, স আখৰকেইটাক কোনটো বিশিষ্ট ধ্বনিয়ে প্ৰতিনিধিত্ব কৰে ?

(1) চ

(2) স

(3) শ্ব

(4) ছ

(iv) বাংলা ভাষাত বিশিষ্ট স্বৰধ্বনিৰ সংখ্যা হ'ল ____।

(1) ৭ টা

(2) ৮ টা

(3) ১২ টা

(4) ১৪ টা

(c) খালী ঠাই পূৰ কৰক : 1×4=4

(i) পৃথিৱীৰ কোনো এটা ভাষাৰ ধ্বনিবিজ্ঞানৰ বিতং আলোচনা য'ত থাকে তাকে সেই ভাষাৰ ____ বোলে।

(ii) ব্যঞ্জনধ্বনিবোৰ সঘোষ আৰু ____ দুয়োটাই হ'ব পাৰে।

(iii) ধ্বনি উচ্চাৰণৰ প্ৰাৱল্য অনুসৰি ধ্বনিক ____ আৰু মহাপ্ৰাণ এই দুটা ভাগত বিভক্ত কৰিব পাৰি।

(iv) যিবোৰ বৰ্ণক ক্ৰম অনুসৰি বিভাজন কৰি দেখুৱাব নোৱাৰি অথচ যিবোৰৰ অস্তিত্ব অনুভৱযোগ্য সেইবোৰক ____ বৰ্ণ বোলে।

2. তলৰ প্ৰশ্নসমূহৰ যি কোনো পাঁচটাৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) উচ্চাৰণৰ স্থান আৰু উচ্চাৰণকৰণ কাক বোলে ?

(b) শ্ৰৱণাত্মক ধ্বনিবিজ্ঞান কি ?

(c) সুৰ কেইপ্ৰকাৰৰ আৰু কি কি ?

(d) স্বৰধ্বনিৰ কেইটামান বৈশিষ্ট্য উল্লেখ কৰক।

(e) উচ্চাৰণৰ স্থান অনুযায়ী বাগ্‌ধ্বনিসমূহক কেইটা ভাগত ভগাব পাৰি আৰু কি কি ?

(f) অসমীয়া আৰু বাংলা ভাষাৰ দুটা বৈসাদৃশ্য উল্লেখ কৰক।

3. তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ লিখক [প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত(য'ত প্ৰযোজ্য)] : 3×4=12

(a) ধ্বনিবিজ্ঞানক কেইটা ভাগত ভগোৱা হৈছে ? তাৰে এটা ভাগৰ বিষয়ে চমুকৈ লিখক।

(b) চিত্ৰ অংকন কৰি বাগিন্দ্ৰিয়সমূহ দেখুৱাই দিয়ক।

(c) ধ্বনি আৰু বিশিষ্ট ধ্বনি বা বৰ্ণৰ সম্পৰ্ক বিচাৰ কৰক।

(d) জিভাৰ উচ্চতা অনুসৰি স্বৰধ্বনিসমূহক কি কি ভাগত বিভাজন কৰা হয়, লিখক।

(e) অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনিসমূহে প্ৰতিনিধিত্ব কৰা আখৰসমূহৰ সৈতে এখন তালিকা প্ৰস্তুত কৰক।

4. তলৰ প্ৰশ্নসমূহৰ যি কোনো তিনিটাৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) ধ্বনিৰ পৰা বৰ্ণ নিৰ্ণয় কৰা প্ৰণালীসমূহৰ বিষয়ে এটি আলোচনা কৰক।

(b) ব্যঞ্জনধ্বনিৰ প্ৰধান বৈশিষ্ট্যসমূহ উল্লেখ কৰি স্বৰধ্বনিৰ লগত ইয়াৰ পাৰ্থক্য নিৰূপণ কৰক।

(c) অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব থলুৱা আৰ্যভিন্ন ভাষাৰ কোনসমূহ উপাদান সোমাই পৰিছে তাৰ বিষয়ে এটি আলোচনা প্ৰস্তুত কৰক।

(d) চৰ্যাপদৰ মাজত পৰিলক্ষিত হোৱা অসমীয়া ধ্বনিৰ উৎসসমূহ দেখুৱাওক।

5. তলৰ প্ৰশ্নসমূহৰ যি কোনো তিনিটাৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৩০০ শব্দৰ ভিতৰত) : 8×3=24

(a) উপাহিত বৰ্ণৰ অন্তৰ্গত বিষয়বোৰৰ বিৱৰণ দি এটি আলোচনা প্ৰস্তুত কৰক।

(b) অসমীয়া, বাংলা আৰু উড়িআ ভাষাৰ ব্যঞ্জনধ্বনিৰ ক্ষেত্ৰত থকা স্বকীয় বৈশিষ্ট্যসমূহ আলোচনা কৰক।

(c) অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনি কেইটা আৰু কি কি? উচ্চাৰণৰ স্থান আৰু ধৰণ অনুযায়ী অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনিকেইটাৰ এখন তালিকা প্ৰস্তুত কৰক।

(d) আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

★★★